**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-OCT-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**--------------------**

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ চিমেন চাপৰিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত প্ৰায় ৩৭ হাজাৰ আত্মসহায়ক গোটৰ মহিলাক ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব। চিমেন চাপৰিৰ ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত মৰাণ জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত জনগোষ্ঠীটোৰ বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীৰ লগতে ২০০ৰো অধিক প্ৰতিনিধিৰ সৈতে আলোচনা মিলিত হয়। আলোচনাকালত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। তেওঁ লগতে প্ৰতিনিধিসকলৰ সৈতে জনগোষ্ঠীটোৰ অন্যান্য সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি সমাধানৰ আশ্বাস দিয়ে।

০০০০০০

বিটিচিৰ বিধায়িনী সভাৰ অধিবেশন আজি কোকৰাঝাৰত অনুষ্ঠিত হৈছে। ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই পঞ্চম বিটিচি পৰিষদীয় চৰকাৰৰ পাৰিষদসকলৰ শপতগ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে এই অধিবেশনৰ আহ্বান জনাইছে। কোকৰাঝাৰৰ বড়োফা নগৰত থকা বিটিচি বিধায়িনী ভৱনত এই অধিবেশন অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে, বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে যোৱা ৫ অক্টোবৰত কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত চতুৰ্থবাৰৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপত গ্ৰহণ কৰিছিল। শপত গ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত শ্ৰীমহিলাৰীৰ সৈতে ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰিছিল। সেই অনুষ্ঠানত ৰিহন দৈমাৰীয়ে উপ-মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰিছিল।

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহ কাইলৈ পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। পৰিক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট  ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

ইপিনে, অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহো কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত কাইলৈ পুৱা চাৰে ১১ বজাত ফলাফলসমূহ উপলব্ধ হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডে এখন জাননী যোগে এই কথা ঘোষণা কৰিছে। ঘোষণা  অনুযায়ী কাইলৈ অসম আৰক্ষী ১৪৪টা উপ পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ পৰিদৰ্শক পদ, অসম কমাণ্ডো বেটেলিয়নৰ ৫১টা উপ পৰিদৰ্শক পদ আৰু ১৬৪টা

কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰ ফলাফল কাইলৈ উপলব্ধ হ'ব।

০০০০০০

ৰাজ্য চৰকাৰৰ শুশ্ৰুষা সেতু ২০২৫ৰ অধীনত ঠায়ে ঠায়ে বৃহৎ স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত আয়োজিত স্বাস্থ্য মেলাৰ আজি মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। দক্ষিণ শালমাৰা মানকাচৰৰ ১১ নম্বৰ মানকাচৰ বিধানসভা সমষ্টিত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তা আৰু বিধায়ক আমিনুল ইছলামে বৃহৎ স্বাস্থ্য মেলা মুকলি কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত আৰু চিৰাং জিলা প্ৰশাসনৰ সহযোগত কাজলগাঁৱৰ উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয়ত বৃহৎ স্বাস্থ্য মেলাৰ আয়োজন কৰা হয়। জিলাখনৰ আয়ুক্ত যতীন বৰাই এই স্বাস্থ্য মেলা উদ্বোধন কৰে। এই বৃহৎ স্বাস্থ্য মেলাসমূহৰ জৰিয়তে ৫০বিধ বিভিন্ন জটিল ৰোগত আক্ৰান্ত ১৮ বছৰ অনুৰ্দ্ধৰ ল'ৰা-ছোৱালীক বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজন সাপেক্ষে উন্নত চিকিৎসাৰ বাবে সুব্যৱস্থা গ্ৰহণৰ লক্ষ্য লোৱা হৈছে। স্বাস্থ্য মেলাসমূহত বিশেষজ্ঞ চিকিৎসকৰ দল তথা স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত আছে।

০০০০০০

ভাৰত আজি মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত বিশাখাপট্টনমত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানক ১০৭ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাৰ কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২২১ ৰান সংগ্ৰহ কৰে। দলটোৰ বেথ মুনিয়ে বিশ্বকাপত নিজৰ প্ৰথমটো শতক অৰ্জন কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ৩৬ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে অষ্ট্ৰেলিয়াৰ বেথ মুনিক প্লেয়াৰ অব্ দ্যা মেচৰ সন্মান আগবঢ়োৱা হয়।

০০০০০০

সমাপ্ত